# Pre-Final Examination- 2023
## H.S. 2nd Year
## Subject : Assamese (MIL)

**Full Marks : 100** **Time : 3 hrs.**

১) চমু উত্তৰ দিয়া (যিকোনো ১২ টা) ১x১২=১২

ক) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত?

খ) লক্ষ্মীনাথ বেজবৰুৱা ৰচিত এখন ধেমেলীয়া নাটকৰ নাম লিখা?

গ) যতীন্দ্ৰ নাথ দুৱৰাক কি কবি বুলি কোৱা হয়?

ঘ) আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ কি আছিল?

ঙ) ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ কি?

চ) শীলভদ্ৰৰ প্ৰকৃত নাম কি?

ছ) 'চিত্ৰবন' ষ্টুডিঅ কোনে নিৰ্মান কৰিছিল?

জ) মাধৱদেৱে কিমানটা বৰগীত ৰচনা কৰিছিল?

ঝ) 'জ্ঞানমালিনীৰ কবি' হিচাপে কোনগৰাকী কবি জনাজাত?

ঞ) নলিনীবালা দেৱীৰ আত্মজীৱনীখনিৰ নাম কি?

ট) প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি?

ঠ) 'কাঠমিস্ত্ৰী'ৰ ঘৰ কবিতাটো কিমান চনত ৰচিত?

ড) কাৰ চিঠিৰ বাবে ভূদেৱ চৌধুৰীয়ে অপেক্ষা কৰি আছিল?

ঢ) আনন্দৰাম বৰুৱাৰ জন্ম ক'ত হৈছিল?

২) উত্তৰ দিয়া (যিকোনো ১৫ টা) ২x১৫=৩০

ক) 'মাজিউ' আৰু 'জ্ঞান' কোন আছিল?

খ) শীলভদ্ৰই লাভ কৰা দুটা বঁটাৰ নাম লিখা?

গ) কথা-কবিতাৰ দুটা বৈশিষ্ট্য লিখা?

ঘ) হস্তিবিদ্যাৰ্ণৱৰ পুথিৰ চিত্ৰবোৰ কোনে অংকন কৰিছিল?

ঙ) ভূপেন হাজৰিকাৰ ৰচিত দুখন নাটকৰ নাম লিখা?

চ) জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা কথাছবি দুখনৰ নাম লিখা?

ছ) মুকলি মন মানে কি?

জ) মাধৱদেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য কি?

ঝ) মফিজুদ্দিন আহমদ হাজৰিকা দুখন কাব্যপুথিৰ নাম লিখা ?

ঞ) কবিয়ে 'আছা মোৰ নিজান কোণত' বুলি কাৰ কথা বুজাইছে?

ট) কাঠমিস্ত্ৰীয়ে সজা দুবিধ আচবাবৰ নাম লিখা ?

ঠ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটিৰ বিষয়ে নৱকান্ত বৰুৱাই কি কৈছিল ?

ড) 'উৰুলি' আৰু 'ৰাগি' শব্দ দুটাৰ অৰ্থ লিখা।

ঢ) নিৰ্মলপ্ৰভা বৰদলৈৰ দুখন কবিতা পুথিৰ নাম লিখা।

ণ) 'কৰুণতম' আৰু 'সুবাধ' শব্দ দুটাৰ অৰ্থ লিখা।

ত) বৰ্তমান সময়ত চিঠিৰ প্ৰাসঙ্গিকতা কিয় কমি গ'ল।

থ) 'অতিথি দেবো ভৱ' মানে কি ?

দ) হস্তিগ্ৰন্থ বুলিলে কি বুজা ?

৩) উত্তৰ দিয়া (যিকোনো ৭ টা) ৪x৭=২৮

ক) 'ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই'।- কোনে কি প্ৰসংগত এই উক্তি কৰিছিল বুজাই লিখা।

খ) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা- 'কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ'।

গ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা ? দুখন ব্যৱহাৰিক সাহিত্য পুথিৰ নাম লিখা।

ঘ) চাৰি আশ্ৰম বুলিলে কি বুজা ?

ঙ) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা-

ত্ৰিজগত পতি ভকতি মিলিল
মূৰুখ মাধৱে বেলে।

চ) 'বিশ্বখনিকৰ কবিতাটোৰ মাজেৰে কবিয়ে প্ৰকৃততে কাৰ কথা কৈছে আৰু কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে?

ছ) কবিয়ে তেওঁৰ পৰম আৰাধ্যজনক ক'ত কেনেকৈ নিতে দেখা পায় বুলি কৈছে, চমুকৈ লিখা।

জ) কবিতাটিত কাঠমিস্ত্ৰীৰ শ্ৰম আৰু কষ্টৰ চিত্ৰ কেনেদৰে দাঙি ধৰা হৈছে চমুকৈ লিখা।

ঝ) আঘোণৰ কুঁৱলীয়ে কবিক কিদৰে আমনি কৰিছে বুজাই লিখা।



ঞ) কবিয়ে কিয় পৃথিৱীলৈ উভতি নাহে বুলি ভাবিছে, বুজাই লিখা।

৪) বহলাই উত্তৰ দিয়া (যিকোনো ৫ টা) ৬x৫=৩০

ক) 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিত নিজৰ ভাষাত লিখা।

খ) 'মগনিয়াৰ' পাঠটিৰ কবি আৰু মগনিয়াৰজনৰ মাজত হোৱা কথোপকথনখিনি বুজাই লিখা।

গ) প্ৰাচ্য আৰু পাশ্চাত্যৰ সমন্বয় সাধনত আনন্দৰাম বৰুৱাই কেনে অৱদান আগবঢ়াই গৈছে, বুজাই লিখা।

ঘ) 'মংগলদায়ক হাতী'ৰ লক্ষণ সম্পৰ্কে হস্তিবিদ্যাৰ্ণৱ পুথিত থকা বিৱৰণটি বুজাই লিখা।

ঙ) বৰগীতটোৰ মাজেৰে যশোদাৰ মাতৃস্নেহ কিদৰে প্ৰকাশিত হৈছে বুজাই লিখা।

চ) বিশ্বখনিকৰ কবিতাটিৰ মূলভাৱ লিখা।

ছ) কবিয়ে নতুন দিনত তেওঁৰ একো চিন নাথাকিব বুলি কিয় ভাবিছে, বুজাই লিখা।

*****